মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, SEPTEMBER 17, 2024 ■ মঙলবাৰ।। ৩১ ভাদ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৬ Guwahati, Assam ।। মূল্যঃ এটকা

## চৰকাৰৰ স্বচ্ছতাৰ দাবী সত্বেও নিযুক্তি পৰীক্ষাক লৈ সৰ্বত্ৰে সন্দেহ-সংশয়

# নেশ্যনেল টেষ্টিং এজেন্সিৰ নীতি নমনাকৈ নিযুক্তি পৰীক্ষা!

**ই-সংবাদ, ১৬ ছেপ্টেম্বৰঃ** স্বচ্ছ আৰু নিকাভাৱে নিযুক্তি পৰীক্ষা সম্পন্ন কৰা বুলি চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দাবী কৰাৰ মাজতে ইন্টাৰনেট কৰ্তন সত্বেও প্ৰশ্ন কাকত ভাইৰেল, পাৰ্ছনেলাইজড অএম'আৰ শ্বীট আদিক লৈ সমগ্ৰ ৰাজ্যজুৰি সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। দেশৰ ভিতৰতে প্ৰথমবাৰ অসমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত নোহোৱা-নোপোজা ঘটনা সংঘটিত হৈছে বুলিও এতিয়া অভিযোগ উত্থাপিত হৈছে। দেশত প্ৰথমবাৰ নিযুক্তি পৰীক্ষাত বহা পৰীক্ষাৰ্থীৰ পৰিচয় প্ৰশ্নকাকতত উল্লেখ কৰা হৈছে বুলি চৰ্চা চলিছে। শেষাংশ ৩ পৃষ্ঠাত

## এশ দিনত ১০০ শতাংশ ব্যৰ্থ মোদী!

**নতুন দিল্লী, ১৬ ছেপ্টেম্বৰঃ** নৰেন্দ্ৰ মোদী নেতৃত্বাধীন তৃতীয় কাৰ্যকালৰ কেন্দ্ৰীয় চৰকাৰখনে আজি এশটা দিন সম্পূৰ্ণ কৰিলে। তৃতীয় কাৰ্যকালৰ শেষাংশ ২ পৃষ্ঠাত

## ৫টা নামক লৈ ছাত্ৰ সন্থাত চলিছে চৰ্চা

**ই-সংবাদ, ১৬ ছেপ্টেম্বৰঃ** ১৮ ছেপ্টেম্বৰত সদৌ অসম ছাত্ৰ সন্থাৰ বিশেষ কাৰ্যনিৰ্বাহক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় আছুৰে এক বিবৃতি যোগে এই কথা প্ৰকাশ কৰাৰ পাছতে কেইবাগৰাকী শেষাংশ ৪ পৃষ্ঠাত

## মিঞা প্ৰসংগৰে ৰাজ্যক অস্থিৰ কৰাৰ চেষ্টা আশ্ৰাফুলৰ!

### চেঙেলৰ মালা পিন্ধাবলৈ সাজু শৃংখল

**ই-সংবাদ, ১৬ ছেপ্টেম্বৰঃ** ধিঙৰ বিতৰ্কিত ধৰ্ষণ কাণ্ডৰ পাছতে ৰাজ্যজুৰি বিয়পি পৰিছিল চেপা উত্তেজনা। উজনি অসমৰ পৰা মিঞা শ্ৰমিকক খেদি পঠিয়াবলৈ উদগ্ৰীব হৈ পৰিছিল একাংশ জাতীয় সংগঠন। চৰাইদেউত শেষাংশ ৪ পৃষ্ঠাত





## বিশেষ ঘোষণা

■ বিশ্বকৰ্মা পূজা উপলক্ষে ১৭ ছেপ্টেম্বৰত আমাৰ কাৰ্যালয় বন্ধ থাকিব। সেয়ে কাকতৰ পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব অহা ১৯ ছেপ্টেম্বৰত।

## শিক্ষামন্ত্ৰীৰ দাবী, এ ডি আৰ ইৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই!

■ সবিশেষ বাতৰি ৬ পৃষ্ঠাত চাওক

## স্মাৰ্ট মিটাৰ কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ


**গুৱাহাটী, ১৬ ছেপ্টেম্বৰঃ** স্মাৰ্ট মিটাৰৰ দ্বাৰা শোষণ আৰু অনলাইন ট্ৰেডিঙৰ দ্বাৰা সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে আজি ৰাজীৱ ভৱনত ব্যাপক প্ৰতিবাদ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত আজি প্ৰদেশ কংগ্ৰেছৰ শতাধিক শেষাংশ ২ পৃষ্ঠাত

## প্ৰশ্নকাকত ভাইৰেল কৰা মংগল ধৃত

**ই-সংবাদ, ১৬ ছেপ্টেম্বৰঃ** ছ'চিয়েল মিডিয়াত এডিআৰই পৰীক্ষাৰ প্ৰশ্নকাকত ভাইৰেল হোৱাৰ পাছতে ডিজিপি জিপি সিঙে ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়ে। ধেমাজি আৰক্ষীয়ে ঘটনাৰ দ্ৰুত তদন্ত আৰম্ভ কৰি ছ'চিয়েল মিডিয়াত প্ৰশ্নকাকত আপলোড কৰা যুৱকজনক আটক শেষাংশ ৪ পৃষ্ঠাত

## কেজৰিৱালৰ চকীলৈ চকু! দিল্লীত ঘৰ ক্ৰয় স্মৃতি ইৰাণীৰ

**নতুন দিল্লী, ১৬ ছেপ্টেম্বৰঃ** লোকসভা নিৰ্বাচনত পৰাজয়ৰ সন্মুখীন হোৱা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰানীক লৈ এইবাৰ নতুন সমীকৰণ কৰিছে বিজেপিয়ে। সকলো ঠিকে ঠাকে তথা বিজেপিয়ে ভৱামতেই হ'লে ২০২৫ত অনুষ্ঠিত হবলগীয়া দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে মুখ্যমন্ত্ৰীৰ




প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰিব স্মৃতি ইৰানীক। ইতিমধ্যে স্মৃতি ইৰানীক দিল্লীত থাকি দলীয় কাম-কাজত সক্ৰিয়তা প্ৰদৰ্শন কৰিবলৈ কেন্দ্ৰীয় নেতৃত্বই নিৰ্দেশনা প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় সংবাদমাধ্যমত প্ৰকাশিত খবৰ অনুসৰি, দিল্লীৰ ১৪খন জিলাৰ ভিতৰত ৭খন জিলাৰ সদস্যভৰ্তি শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেজৰিৱালৰ চকীলৈ চকু! দিল্লীত

প্ৰক্ৰিয়াৰ দায়িত্ব অৰ্পন কৰা হৈছে স্মৃতি ইৰানীৰ কান্ধত। এই কাম সফলতাৰে সম্পন্ন কৰিবলৈ দক্ষিণ দিল্লী অঞ্চলত শেহতীয়াকৈ এটা ঘৰো ক্ৰয় কৰিছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। বিজেপিৰ এগৰাকী নেতাৰ ভাষ্য ভিত্তিত পি টি আয়ে প্ৰকাশ কৰা এক খবৰ অনুসৰি, অৰবিন্দ কেজৰিৱালক ২০২৫ত প্ৰত্যাহ্বান জনাব পৰাকৈ এগৰাকী নেতাৰ সন্ধানত আছে বিজেপি। বৰ্তমান দিল্লী বিজেপিৰ সভাপতি মনোজ তিৱাৰীক লৈ কেন্দ্ৰীয় নেতৃত্ব কিছু অসন্তুষ্ট বাবে আহিবলগীয়া বিধানসভা নিৰ্বাচনত সন্মুখত ৰাখিব বিচাৰিছে স্মৃতি ইৰানীক। ইফালে স্মৃতি ইৰানীক দিল্লীৰ ৰাজনীতিলৈ এনেদৰে আমদানি কৰি অনাক লৈ দিল্লী বিজেপিৰ ভিতৰচৰাঁতে আৰম্ভ হৈছে কন্দলৰ। ইতিমধ্যে ২০২৫ৰ নিৰ্বাচনত মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীৰূপে দাবীদাৰ মনোজ তিৱাৰী, বীৰেন্দ্ৰ ছজদেৱা আৰু পৰেশ বাৰ্মাৰ দৰে নেতাই ভিতৰি ভিতৰি আৰম্ভ কৰিছে ৰাজনীতি। এটা কথা ঠিক যে, দিল্লীৰ ৰাজনীতি হঠাতে আমদানিকৃত কৰা নেতাৰ জৰিয়তে ৰাজনীতি কৰি সুফল লাভ কৰা নাই বিজেপিয়ে। ইয়াৰ পূৰ্বে এবাৰ দিল্লীৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে কিৰণ বেদীক মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰি নিৰ্বাচন খেলিছিল যদিও সুফল লাভ কৰা নাছিল। গতিকে একাংশ বিজেপি নেতাই মতপোষণ কৰিছে যে, যিকোনো এজন নেতাক কেন্দ্ৰ কৰি নিৰ্বাচনত অৱতীৰ্ণ হোৱাতো উচিত নহয়। অৱশ্যে এতিয়ালৈকে কেন্দ্ৰীয় নেতৃত্বই এই সমগ্ৰ বিষয়টোৰ ওপৰত কোনো মন্তব্য ৰাজহুৱা কৰা নাই। সেয়া হ'লেও স্মৃতি ইৰাণীক লৈ আৰম্ভ হৈছে ব্যাপক জল্পনা-কল্পনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এশ দিনত ১০০ শতাংশ ব্যৰ্থ

কেন্দ্ৰীয় চৰকাৰখনে আজি এশটা দিন সম্পূৰ্ণ কৰিলে৷ তৃতীয় কাৰ্যকালৰ মোদী চৰকাৰে এশ দিন সম্পূৰ্ণ কৰাৰ দিনটোতে কংগ্ৰেছে বিজেপি দল আৰু চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয়৷ কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে আজি দিল্লীস্থিত সৰ্বভাৰতীয় কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি বিফলতাৰ ছবিখন দাঙি ধৰে৷ সুপ্ৰিয়া শ্ৰীনেটে কয় যে প্ৰধানমন্ত্ৰীৰ ওচৰত কোনো সমস্যাৰ সমাধান নাই। ১০০ দিনত দেশৰ অৰ্থনীতি, কৃষক, যুৱ, মহিলা, আন্তঃগাঁথনি, ৰে'লৰে আৰু প্ৰতিষ্ঠানসমূহৰ ওপৰত যথেষ্ট বিয়োগাত্মক প্ৰভাৱ পৰিছে৷ এই ১০০ দিনত প্ৰমাণিত হৈছে যে নৰেন্দ্ৰ মোদীৰ কোনো সমস্যাৰ সমাধানৰ দৃষ্টিভংগী নাই। সমস্যাবোৰৰ প্ৰতি চকু ফুৰাবলৈ আৰু যুঁজৰ পৰা পলাই যোৱাৰ পুৰণি অভ্যাস এতিয়াও অটুট আছে। সুপ্ৰিয়া শ্ৰীনেটে আৰু কয় যে নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী প্ৰচাৰৰ সময়ত তেওঁৰ ১০০ দিনীয়া পৰিকল্পনাৰ কথা উল্লেখ কৰিছিল৷ কিন্তু আজি তেওঁ বিফলতাৰ সন্মুখীন হৈছে। আমাৰ প্ৰশ্ন হ'ল তেওঁৰ পৰিকল্পনা কি? ৰে'ল দুৰ্ঘটনাগ্ৰস্ত হৈ আছে, মহিলাসকল অসুৰক্ষিত আৰু নিবনুৱাৰ সংখ্যা বাঢ়ি আছে। এয়া হৈছে আপোনাৰ ৰিপ'ৰ্ট কাৰ্ড। উল্লেখ্য যে, নৰেন্দ্ৰ মোদীয়ে ২০২৪ চনৰ ৯ জুনত একেৰাহে তৃতীয়বাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে। এই নিৰ্বাচনত বিজেপিৰ ২৪০ জন সাংসদ জয়ী হয়। ২০১৪ চনৰ পিছত প্ৰথমবাৰৰ বাবে বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰা নাছিল। এশ দিনত এশ শতাংশ ব্যৰ্থ বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে মোদী চৰকাৰ প্ৰতিটো ক্ষেত্ৰত বিফল হৈছে। বৰ্তমান ই ইউ-টাৰ্ণৰ চৰকাৰহে চলিছে৷ ৱাকফ বিধেয়ক, বৰ্ডকাষ্ট বিধেয়ক, ইউনিফাইড পেঞ্চন চিষ্টেম, এনপিএছ আদিক লৈ ইউ-টাৰ্ণ মাৰিছে চৰকাৰে৷ এই চৰকাৰখন দিশহীন হোৱাৰ বাবে ৰাইজে মূল্য ভৰিবলগীয়া হৈছে৷ জম্মু-কাশ্মীৰত যোৱা ১০০ দিনত ২৬টা সন্ত্ৰাসবাদীৰ আক্ৰমণ সংঘটিত হৈছে৷ ২১ সৈনিক শ্বহীদ, ৩০ সৈনিক আহত হৈছে, ১৫ জন অসামৰিক লোকৰ মৃত্যু আৰু ৪৫ জন লোক আহত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্মাৰ্ট মিটাৰ, কংগ্ৰেছৰ

নেতা-কৰ্মীয়ে ৰাজপথলৈ ওলাই আহি গ্ৰামাঞ্চলত স্মাৰ্ট মিটাৰৰ দ্বাৰা চলোৱা শোষণ আৰু হাজাৰ হাজাৰ কোটি টকাৰ অনলাইন ট্ৰেডিঙৰ নামত চলা দুৰ্নীতিৰ প্ৰতিবাদ কৰে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই অনলাইন ট্ৰেডিঙৰ নামত চলা দুৰ্নীতি গুৱাহাটী উচ্চ ন্যায়ালয়ত কৰ্মৰত এগৰাকী ন্যায়াধীশৰ জৰিয়তে তদন্তৰ দাবী জনায়। এই দুৰ্নীতিত একাংশ মন্ত্ৰী-বিধায়কৰ নাম জড়িত হৈ থকাৰ অভিযোগো উত্থাপন হোৱাৰ বিষয়টো উল্লেখ কৰি তেওঁ কয় যে চৰকাৰখনে হাজাৰ হাজাৰ কোটি টকা ঋণ লৈ দুৰ্নীতিত জড়িত হৈছে আৰু তাৰেই ধন অনলাইন ট্ৰেডিঙলৈ গৈছে। ইফালে, স্মাৰ্ট মিটাৰ কোনো কাৰণতে অসমত স্থাপন কৰিবলৈ দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গুণকান্ত গগৈ, বিপুল গগৈ, মেহদী আলম বৰা, মীৰা বৰঠাকুৰ প্ৰমুখ্যে নেতা-কৰ্মীসকলে চৰকাৰ মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ সম্পত্তিৰ হিচাপ লাগে আদি ধ্বনি ৰাজপথলৈ ওলাই আহিবলৈ চেষ্টা কৰে বুলি আৰক্ষীয়ে বাধা প্ৰদান কৰে। গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাই এই প্ৰতিবাদী কাৰ্যসূচী পৰিচালনা কৰে। পিছত কাৰ্যবাহী দণ্ডাধীশ এগৰাকীয়ে কংগ্ৰেছে দাখিল কৰা স্মাৰক পত্ৰ গ্ৰহণ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাল এৰি শিয়াল খেদা বুলি অভিযোগ কৰে। তেওঁ কয় যে যেতিয়াই মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীক সা-সম্পত্তিৰ হিচাপ ৰাইজে বিচাৰে তেতিয়াই মুখ্যমন্ত্ৰীয়ে সাম্প্ৰদায়িক ৰাজনীতি কৰি হিন্দু-মুছলমানৰ মাজত কাজিয়া লগায়। এইগৰাকী মুখ্যমন্ত্ৰীক তৎকালে বৰ্খাস্ত কৰিব লাগে বুলি দাবী উত্থাপন কৰে। প্ৰতিবাদী কাৰ্যসূচীত মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰায়ো সক্ৰিয় অংশগ্ৰহণ কৰে। উল্লেখ্য যে স্মাৰ্ট মিটাৰক লৈ সমগ্ৰ ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নেশ্যনেল টেষ্টিং এজেন্সিৰ নীতি

অ'এমআৰত পৰীক্ষাৰ্থীৰ ৰোল নম্বৰৰ লগতে ফটো, স্বাক্ষৰ সন্নিৱিষ্ট কৰা হৈছে৷ পৰীক্ষাৰ বহী তথা অ'এমআৰত ফটো আৰু স্বাক্ষৰ সন্নিৱিষ্ট কৰি নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ পিছতে চৰকাৰৰ বিৰুদ্ধে গোপনীয়তা ভংগ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ পৰীক্ষা অনুষ্ঠিত কৰাৰ পাৰদৰ্শিতাক লৈও প্ৰশ্ন উত্থাপন হোৱা দেখা গৈছে৷ উল্লেখ্য যে, দেশত শেহতীয়াকৈ ধৰ্ম বিশেষ তথা অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ লোকৰ বিৰুদ্ধে ঘৃণাৰ ভাৱ ক্ৰমাৎ বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে৷ তেনে সময়তে এনেদৰে পৰীক্ষাৰ্থীৰ ব্যক্তিগত পৰিচয় বহী পৰীক্ষকক জানিবলৈ দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ ইয়াৰ দ্বাৰা বহী পৰীক্ষকৰ দ্বাৰা একাংশ পৰীক্ষাৰ্থী বৈষম্যৰ বলি হোৱাৰ অৱকাশ থকাৰো সন্দেহ কৰিছে সচেতন লোকসকলে৷ উত্থাপিত অভিযোগ মতে, দেওবাৰে অনুষ্ঠিত হৈ যোৱা তৃতীয় বৰ্গৰ নিযুক্তিৰ লিখিত পৰীক্ষাৰ বহী অৰ্থাৎ অএমআৰ শ্বিটত ছপা হৈ আছিল পৰীক্ষাৰ্থীৰ ফটো৷ ফটোযুক্ত এডমিট কাৰ্ডত ছপা কৰিবৰ বাবে আবেদনৰ সময়ত পৰীক্ষাৰ্থীসকলক আপলোড কৰিবলৈ দিয়া ফটো অএমআৰ শ্বিটতো ছপা কৰাত একাংশ পৰীক্ষাৰ্থীৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। ইয়াৰ লগতে পৰীক্ষাৰ্থীৰ ফটো ছপোৱা স্থানৰ তলৰ ঘৰ এটাত স্বাক্ষৰ কৰিবলৈ দিয়া হৈছে৷ ফটোৰ তলত স্বাক্ষৰ কৰিবলৈ দিয়াৰ লগে লগেই পৰীক্ষাৰ্থীৰ পৰিচয় পৰীক্ষা নিৰীক্ষক আৰু বহী নিৰীক্ষকে লাভ কৰিলে বুলিও চৰ্চা হৈছে৷ বিশেষকৈ যদিহে এডমিট কাৰ্ডত কোনো পৰীক্ষাৰ্থীয়ে ফুল ছিগনেছাৰ কৰিছিল তেন্তে অ'এমআৰ শ্বিটটো ফুল ছিগনেছাৰ কৰিবলগীয়া হৈছে। পূৰ্বে অসমত অনুষ্ঠিত হৈ যোৱা নিযুক্তি পৰীক্ষাত কেতিয়াও পৰীক্ষাৰ বহীত এনেধৰণে স্বাক্ষৰ আৰু ফটো উল্লেখ কৰা হোৱা নাছিল৷ পূৰ্বে পৰীক্ষাৰ উপস্থিতিৰ স্বাক্ষৰ অন্য এখন বহীত লৈছিল৷ কিন্তু এইবাৰ উত্তৰ লিখা বহীখনৰ পথম পৃষ্ঠাতে লোৱা হৈছে৷ ইতিমধ্যে এই ক্ষেত্ৰত সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ কেইবাগৰাকী লোকে নিজ নিজ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এনে পৰম্পৰা পূৰ্বে নাছিল বুলি কোৱাৰ লগতে এনে পৰম্পৰাৰ দ্বাৰা একাংশ পৰীক্ষাৰ্থী বৈষম্যৰ বলি হোৱাৰ আশংকা কৰা হৈছে৷ বহী পৰীক্ষক জাতি, ধৰ্ম, বৰ্ণ প্ৰত্যক্ষ কৰি বিচলিত হৈ নম্বৰ বঢ়া-টুটা কৰিব পাৰে বুলি শংকাৰ সৃষ্টি হৈছে। ইফালে ছ'চিয়েল মিডিয়াতো বিষয়টোক লৈ একাংশ লোক সৰৱ হৈ পৰা দেখা গৈছে। পৰীক্ষা নিৰীক্ষক হিচাপে থকা জিণ্টু শৰ্মা নামৰ লোকজনে ফেচবুকত এটা পোষ্ট দিয়াৰ পাছতে বহু লোকে এই ক্ষেত্ৰত প্ৰশ্ন উত্থাপন কৰিছে৷ জিণ্টু শৰ্মাই কয় "আমি জীৱনত বহু অ'এমআৰযুক্ত, বহুবিকল্পী পৰীক্ষা দেখিছো, দিছো, সফলো হৈছো৷ পৰীক্ষা চলাইছো, পৰীক্ষাত নিৰীক্ষক হিচাপে নিজৰ দায়িত্ব পালন কৰিছো। বহু লোক এই বিষয়ে অৱগত, অভ্যস্ত। আজি হৈ যোৱা পৰীক্ষাৰ দুটামান কথাই মনটো খুন্দিয়াই আছে।" নিজে উক্ত পৰীক্ষাত নিৰীক্ষক হিচাপে থকা বুলি উল্লেখ কৰি জিণ্টু শৰ্মাই পৰীক্ষাৰ্থীৰ সম্পূৰ্ণ তথ্য নাম, ৰোল নং, আনেকি ফটো পৰ্যন্ত ছপোৱা 'পাৰ্চনেলাইজড অ'এমআৰ' সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ লিখিছে, "পাৰ্ছনেলাইজড অ'এমআৰ পৰীক্ষাৰ মূল নীতিৰ সম্পূৰ্ণ পৰিপন্থী। কিয়নো পৰীক্ষকে কোনো কাৰণতে পৰীক্ষাৰ্থীৰ পৰিচয় গম পোৱা উচিত নহয়। যিটো ইয়াত সম্পূৰ্ণ ওলোটা। আমি সাধাৰণতে পাতি থকা ল'ৰা-ছোৱালীবোৰৰ পৰীক্ষাতো কেৱল ৰোল নংহে থাকে। য'ত পৰীক্ষকে পৰীক্ষাৰ্থীৰ পৰিচয় পোৱাৰ কোনো সম্ভাৱনা নাথাকে। যিটোৱে পৰীক্ষণ প্ৰক্ৰিয়াত পৰীক্ষকক বিচলিত নকৰে। এইটোতো চাকৰিৰ বাবে পৰীক্ষা। তেন্তে ছেবাই কেনেকৈ এই প্ৰসংগ এৰাই চলিব? কথাটো অত্যন্ত গুৰুত্বপূৰ্ণ।" অৱশ্যে ছেবাৰ এটি ভিতৰুৱা সূত্ৰই জনোৱা মতে এনেধৰণৰ অ'এমআৰ শ্বিটৰ জৰিয়তে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ অ'এমআৰ শ্বীট স্কেন কৰি কম্পিউটাৰত ছফটৱেৰৰ জৰিয়তেহে চোৱা হয়। সেয়ে পৰীক্ষকে পৰীক্ষাৰ্থীৰ নাম-ঠিকনা আদি জনাৰ কথা আহি নপৰে। যদিহে নাম-ঠিকনা জনাৰ কথা আহি নপৰেই তেন্তে নাম-ফটো সম্বলিত পাৰ্ছনেলাইজড অ'এমআৰ দিয়াৰ প্ৰয়োজনেইবা কি আছিল বুলিও প্ৰশ্ন উত্থাপিত হৈছে। এই সন্দৰ্ভত এক সংবাদমেলত অসম জাতীয় পৰিষদেও প্ৰশ্ন উত্থাপন কৰিছে। দলটোৰ নেতা জিয়াউৰ ৰহমানে সংবাদমেলত কয়, "এই পৰীক্ষাৰ অ' এম আৰ শ্বীটত পৰীক্ষাৰ্থীৰ নাম আৰু ফটো সংলগ্ন কৰিব দিছে। এই ব্যৱস্থাৰে পৰীক্ষা পাতিব নোৱাৰে। ইয়াৰ জৰিয়তে অনিয়ম সংঘটিত হ'ব। কোনো স্বচ্ছতা নাথাকিব।" সংবাদমেলত জিয়াউৰ ৰহমানে কয়, "ৰাজ্য চৰকাৰে স্বচ্ছ আৰু নিকা পদ্ধতিৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। পৰীক্ষাৰ্থীসকলেও এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিত আশ্বস্ত হৈছিল। কিন্তু কালি যি পদ্ধতিৰে পৰীক্ষা অনুষ্ঠিত কৰিলে তাৰ পৰা প্ৰতীয়মান হৈছে যে পৰীক্ষা স্বচ্ছতাৰে অনুষ্ঠিত কৰা হোৱা নাই।" তেওঁ কয়, "ভাৰত চৰকাৰৰ নেশ্যনেল টেষ্টি এজেন্সীয়ে পৰীক্ষা অনুষ্ঠিত কৰাৰ নীতি-নিয়ম নিৰ্দ্ধাৰণ কৰি দিয়ে। এই নিয়মমতে পৰীক্ষাৰ উত্তৰ বহীত মাত্ৰ পৰীক্ষাৰ্থীৰ ৰোল নম্বৰ উল্লেখ থাকিব লাগে। কিন্তু এই পৰীক্ষাৰ উত্তৰ বহীত প্ৰাৰ্থীৰ নাম আৰু ফটো সংলগ্ন কৰিব দিছে। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পৰীক্ষা পদ্ধতি নীতিগতভাৱে অনুসৰণ কৰা নাই। এই ক্ষেত্ৰত আমাৰ পৰীক্ষাৰ স্বচ্ছতাৰ ক্ষেত্ৰত সন্দেহ সৃষ্টি হৈছে।" ইফালে, পৰীক্ষাৰ্থীক নিজৰ নিজৰ প্ৰশ্ন কাকত কিয় নিবলৈ দিয়া নহ'ল বুলিও প্ৰশ্ন উত্থাপিত হৈছে। প্ৰশ্ন কাকতৰ পৰিৱৰ্তে অ'এমআৰৰ কাৰ্বন কপিও এই পৰীক্ষাত নিবলৈ দিয়া হোৱা নাই। সেয়ে চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হৈছে বুলি দাবী কৰিলেও এনে দাবীক এতিয়া সন্দেহৰ দৃষ্টিৰে চাইছে ভিন্নজনে। আনহাতে ইয়াৰ পূৰ্বে অনুষ্ঠিত নিযুক্তি পৰীক্ষাত ধনৰ লেনদেন হোৱা বুলি উত্থাপিত অভিযোগেও বহু চাকৰি প্ৰত্যাশী পৰীক্ষাৰ্থীৰ মনত সন্দেহৰ উদ্ৰেক ঘটাইছে। ইয়াৰ মাজতে এক ভিতৰুৱা সূত্ৰৰ পৰা জানিব পৰা মতে পূৰ্বে অনুষ্ঠিত নিযুক্তি প্ৰক্ৰিয়াত যিদৰে নম্বৰ তালিকা অবিহনেই মেৰিট লিষ্ট প্ৰকাশ পাইছিল এইবাৰো তেনেধৰণেই মেৰিট লিষ্ট প্ৰকাশ কৰা হ'ব। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে পৰীক্ষাৰ সফলতাৰ ঢাক-ঢোল বজালেও এতিয়া প্ৰশ্ন কাকত ভাইৰেল, অএমআৰ শ্বীটত চহী-ফটো উল্লেখ আদিয়ে চাকৰি প্ৰত্যাশীসকলৰ মনত বিভিন্ন প্ৰশ্নৰ উদ্ৰেক ঘটোৱা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫টা নামক লৈ ছাত্ৰ সন্থাৰ

নেতাৰ নামক লৈ চৰ্চা হ'ব ধৰিছে৷ এই কাৰ্যনিৰ্বাহকতে আছুৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে৷ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দৌৰত আছে কেইবাটাও নাম৷ চৰ্জুন হাঞ্চে, ৰাণা সোনাৰ, নিতুল বৰা, অভিজিৎ নাথ আৰু দিপক শৰ্মাৰ নাম চৰ্চাত আছে৷ বৰ্তমানে সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্ব আছে এই পাঁচজন নেতা৷ এই কাৰ্যনিৰ্বাহকতে ৫ নেতাৰ ভিতৰত ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব লাভ কৰিব এজন নেতাই৷ সদৌ অসম ছাত্ৰ সন্থাৰ সদ্য অব্যাহতি লোৱা সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে এগৰাকী যুৱতীক প্ৰেমত প্ৰতাৰণা, সামাজিক মৰ্যাদা হানি, শাৰিৰীক সম্পৰ্ক, হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ উঠিছিল৷ তাৰ পাছতে মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাৰ পৰামৰ্শত সাধাৰণ সম্পাদক পদৰ পৰা অব্যাহতি লৈছিল শংকৰজ্যোতি বৰুৱাই৷ উল্লেখ্য যে আছুৰ সাধাৰণ সম্পাদক বৰুৱাৰ বিৰুদ্ধে অভিযোগ উত্থাপন হোৱাৰ পিছতে ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া দেখা গৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মিঞা প্ৰসংগৰে ৰাজ্যক অস্থিৰ

অজুহাতত মৎস্য ব্যৱসায়ীক আক্ৰমণ কৰা হৈছিল৷ তেনে সময়তে উজনি অসম ত্যাগ কৰিবলৈ আৰম্ভ কৰিছিল মিঞা শ্ৰমিকসকলে৷ ৰাজ্যজুৰি সৰু-বৰ ঘটনা সংঘটিত হোৱাত ৰাজ্যত সাম্প্ৰদায়িক সংঘৰ্ষ লাগিব বুলি আশংকা কৰিছিল সচেতন লোকে৷ উত্তেজনাময় পৰিস্থিতিৰ শাম কটাৰ সময়তে ইউডিএফৰ বিতৰ্কিত বিধায়ক আশ্ৰাফুল হুছেইনে পুনৰ জ্বলা জুইত ঘিউ ঢালিবলৈ চেষ্টা চলাইছে বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে, এইগৰাকী আশ্ৰাফুল হুছেইনৰ নেতৃত্বতে মিঞা কবিতাৰ জৰিয়তে ৰাজ্যখনক অস্থিৰ কৰা হৈছিল৷ বৰপেটাৰ পৰা অপহৃত হিন্দু যুৱতীক বিধায়ক আশ্ৰাফুলে নিজ বিধায়ক আৱাসত ৰাখি লাভ জেহাদক প্ৰশ্ৰয় দিয়াৰ অভিযোগ উত্থাপন হৈছিল৷ সোণাপুৰৰ কচুতলীৰ উচ্ছেদৰ সময়তে দুই মিঞা লোক আৰক্ষীৰ গুলীত নিহত হোৱাত ৰাজ্যৰ পৰিস্থিতি স্পৰ্শকাতৰ হৈ থকাৰ সময়তে ৰক্তাক্ত সংঘৰ্ষ লগাবলৈ আশ্ৰাফুল হুছেইনে যৎপৰনাস্তি প্ৰয়াস কৰিছে নেকি বুলিও চৰ্চা হৈছে? মিঞা সম্প্ৰদায়ৰ বিধায়ক আশ্ৰাফুল হুছেইনে মিঞাৰ তেজেৰে পুনৰ ৰাজনীতি কৰিব খোজাৰ অভিযোগ উত্থাপন হৈছে। কিয়নো অপ্ৰাসংগিক হৈ পৰিবলৈ আৰম্ভ কৰা উজনি আৰু মিঞাৰ কথা আশ্ৰাফুল হুছেইনৰ মুখত পুনৰ শুনা গ'ল৷ আশ্ৰাফুলে উজনিত শ্ৰমিকৰ নাটনি হোৱাৰ প্ৰসংগ টানি আনি গামোচা পিন্ধাই তামোল-পাণ দি মাতিলেও মিঞাক উজনিলৈ কাম কৰিবলৈ নাযাবলৈ আহ্বান জনায়। তাৰ  পাছতে উজনি অসমৰ জাতীয় সংগঠন সৰৱ হয়৷ বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই উজনি অসমৰ কথা বাংলাদেশী মূলৰ বিধায়কে চিন্তা কৰিব নালাগে বুলি প্ৰত্যুত্তৰ দিয়ে। ইমানে নহয় মিঞা শ্ৰমিক নোহোৱাৰ পাছতো উজনিৰ সকলো কাম সুকলমে চলি থকা বুলি কয়৷ সোণাপুৰৰ কচুতলীৰ উচ্ছেদক লৈ চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইনে শৃংখল চলিহাক বিশৃংখল মানুহ আখ্যা দি চৰকাৰে পুহি ৰখাৰ অভিযোগ আনিছিল। লগতে কিছু দিনৰ আগৰ এক মন্তব্যৰ কথা উল্লেখ কৰি আশ্ৰাফুলে কৈছিল যে শৃংখলে একে-৪৭ৰ কেনেকৈ বিচাৰিব পাৰে৷ শ্ৰমিকক মাৰধৰ কৰিব কেনেকৈ পাৰে বুলি প্ৰশ্ন কৰে। আশ্ৰাফুল হুছেইনৰ এনে প্ৰশ্নসমূহৰ প্ৰত্যুত্তৰ দি শৃংখল চলিহাই কয় যে বাংলাদেশী মূলৰ বিধায়কে খিলঞ্জীয়াক চেলেঞ্জ দিয়া কাণ্ড মানি নলও। ভোটৰ স্বাৰ্থত খিলঞ্জীয়াক নিঃশেষ কৰাৰ হুংকাৰ দিলে সহ্য কৰা নহ'ব। খিলঞ্জীয়াক জোকাই ল'লে পৰিস্থিতি বিষম হ'ব। এনেদৰে এতিয়া ইউডিএফৰ বিতৰ্কিত বিধায়ক আশ্ৰাফুলৰ মন্তব্যৰ পিছতে পুনৰ পৰিস্থিতি আনফালে ঢাল খাবলৈ আৰম্ভ কৰাৰ আংশকা ঘনীভূত হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰশ্নকাকত ভাইৰেল কৰা

কৰিবলৈ সক্ষম হৈছে৷ আটক হোৱা যুৱকজন ফটোগ্ৰাফাৰ মঙ্গল সিং বসুমুতাৰী৷ ধেমাজি জিলাৰ চিমেন চাপৰীৰ উপেন্দ্ৰ ৰাষ্ট্ৰীয় একাডেমীৰ পৰা প্ৰশ্নকাকত ভাইৰেল হোৱাৰ অভিযোগ উত্থাপন হৈছিল৷ তাৰ পাছতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ ডিজিপি জিপি সিঙে মঙ্গল সিং বসুমুতাৰীক আটক কৰা ফটোসহ এটা ফেচবুক পোষ্ট দি কয় যে ধেমাজি আৰক্ষীয়ে গোচৰৰ প্ৰশ্নকাকত ফাদিল গোচৰত সফলতা লাভ কৰিছে৷ কাকতখন ছেবাৰ দ্বাৰা নিযুক্ত ফটোগ্ৰাফাৰৰ মঙ্গল সিং বসুমুতাৰীয়ে পৰীক্ষা কেন্দ্ৰত তুলিছিল। পৰীক্ষাকাকতখন কেন্দ্ৰত দুপৰীয়া ১.৩০ বজাত পৰীক্ষা সমাপ্ত হোৱাৰ পিছত ফটোগ্ৰাফী কৰা হৈছিল। সেইজন মঙ্গল সিং বসুমুতাৰীক আটক কৰা হৈছে আৰু পৰীক্ষা শেষ হোৱাৰ পিছত কাকতখনৰ ফটোগ্ৰাফী কৰাৰ কথা স্বীকাৰ কৰিছে। পৰৱৰ্তী অনুসন্ধানৰ বাবে মোবাইল জব্দ কৰা হৈছে। পৰীক্ষা প্ৰক্ৰিয়াক বদনাম কৰিবলৈ কৰা এই কাণ্ড সংঘটিত কৰা অপৰাধীক চিনাক্ত কৰিবলৈ অধিক তদন্ত চলি আছে বুলিও কয় সিঙে৷ উল্লেখ্য যে, ১৪ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যোৱা এডিআৰই পৰীক্ষাৰ প্ৰশ্ন কাকত আজি সামাজিক মাধ্যমৰ জৰিয়তে ভাইৰেল হৈ পৰে। দেওবাৰে অনুষ্ঠিত হৈ যোৱা পৰীক্ষাৰ পাছত পৰীক্ষাৰ্থীসকলৰ পৰা প্ৰশ্ন কাকতসমূহ ৰাখি থোৱা হৈছিল। প্ৰশ্ন কাকতখন পৰীক্ষাৰ আগত নে পৰীক্ষাৰ পাছত ফাদিল হৈছে সেয়া এতিয়াও নিশ্চিত নহয়। নিযুক্তি পৰীক্ষা স্বচ্ছতাৰে অনুষ্ঠিত কৰিবলৈ অসম চৰকাৰে অগণতান্ত্ৰিকভাৱে ইণ্টাৰনেট কৰ্তনৰ দৰে সিদ্ধান্ত লৈছিল। তাৰ পাছতো কোনে এই কাম কৰিলে? কিয় ইমান কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজতো প্ৰশ্নকাকত ফাদিল হ'ল সেয়া এতিয়া সৰ্বত্ৰে প্ৰশ্ন উঠিছে। ৯০ পৃষ্ঠাৰ ভাইৰেল প্ৰশ্ন কাকতখনৰ বুকলেট নম্বৰ ১০৩৫০৩৪। কেম স্কেনাৰৰ দ্বাৰা স্কেন কৰা হৈছিল এই প্ৰশ্ন কাকতখন।

## লুইত চলিহাৰ দেহাৱসান

# শিৱসাগৰত সাংবাদিক সংস্থাৰ শ্ৰদ্ধাঞ্জলি



**ই-সংবাদ, শিৱসাগৰ, ১৬ ছেপ্তেম্বৰঃ** লুইত চলিহা কেৱল ফটোগ্ৰাফাৰেই নাছিল, লুইত চলিহা আছিল এক অসাধাৰণ সৃজনীশক্তিৰ গৰাকী, আলোকচিত্ৰৰ জৰিয়তে নতুন বাৰ্তা বিয়পাই দিব পৰা এক শিল্পীসত্তাৰ প্ৰতীক। লুইত চলিহাৰ বিয়োগ সংবাদ জগতৰ বাবে এক অপূৰণীয় ক্ষতি। শিৱসাগৰ জিলাৰ ফটো সাংবাদিক সদ্যপ্ৰয়াত লুইত চলিহাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এইদৰে মত ব্যক্ত কৰে শিৱসাগৰ জিলৈ সাংবাদিক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অনিল গুপ্তাই। উল্লেখ্য, শিৱসাগৰ জিলাৰ বিশিষ্ট ফটো সাংবাদিক লুইত চলিহাই দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকাৰ পিছত কালি সন্ধিয়া পৰলোকপ্ৰাপ্তি হয়। ফটো সাংবাদিকগৰাকীৰ স্মৃতিচাৰণৰ অৰ্থে শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয় চৌহদত আজি সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সংবাদ জগতৰ সৈতে জড়িত ব্যক্তিসকলৰ লগতে চলিহাৰ বহুসংখ্যক গুণমুগ্ধই লুইত চলিহাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজলন কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। তাৰ পাছতে জ্যেষ্ঠ সাংবাদিক অনিল গুপ্তা, মুক্তাৰ হুছেইন, অভিজিত দুৱৰা, ববিতা ভৰালী, হিমাংশু নেওগ, ইন্দ্ৰ গোহাঁইকে ধৰি আন কেইবাগৰাকীও যুৱ সাংবাদিকে লুইত চলিহাৰ জীৱন আৰু কৰ্মৰাজীৰ সম্পৰ্কে আলোকপাত কৰি নিজৰ বক্তব্য ৰাখে। শিৱসাগৰ জিলা সাংবাদিক সংস্থা আৰু শিৱসাগৰ ই-মিডিয়া সংস্থাৰ উদ্যোগত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে শিৱসাগৰ ই মিডিয়া সংস্থাৰ সম্পাদক প্ৰদীপ গগৈয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিৱসাগৰ ই-মিডিয়াৰ সভাপতি জয়জ্যোতি গগৈ, সাংবাদিক ৰাতু দাস, মোজাকিৰ আহমেদ, প্ৰশান্ত বৰগোঁহাই, পৰীক্ষিত গগৈ, মুন্না আগৰৱালা, বলীন গগৈ, মেহেক আগৰৱালা, মিনহাজ আহমেদ, কেশৱ পাৰিক, চৰিফুল আহমেদ আদি উপস্থিত থাকে।

# খিলঞ্জীয়া মানুহৰ কবৰ অসমত খান্দিবলৈ নিদিওঁ, হুংকাৰ জয়ন্তমল্লৰ

## কচুতলীৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ

**ই-সংবাদ, ১৬ছেপ্টেম্বৰঃ** "অসমখনক কাশ্মীৰ হ'বলৈ নিদিওঁ। অসমীয়া খিলঞ্জীয়া মানুহৰ কবৰ মই ইয়াত খান্দিবলৈ নিদিওঁ।"- এই তাৎপৰ্যপূৰ্ণ মন্তব্য মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ। কচুতলীৰ ঘটনাক লৈ সাংবাদিকৰ আগত এই মন্তব্য কৰে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, অসমখনক কাশ্মীৰ হ'বলৈ নিদিওঁ। অসমীয়া খিলঞ্জীয়া মানুহৰ কবৰ মই ইয়াত খান্দিবলৈ নিদিওঁ। ট্ৰাইবেল বেল্টৰ মাটিত মিঞাই প্ৰৱেশ কৰিলে আমি মনে মনে বহি নাথাকো। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে, যিসকল মানুহে নিজৰ ল'ৰা-ছোৱালীৰ কবৰ এইখন অসমত খান্দিব খোজে, তেওঁলোকে সোণাপুৰৰ এই অনুপ্ৰৱেশকাৰীসকলক উচটনি দি থাকক। মই, মোৰ ল'ৰা, মোৰ নাতি ল'ৰা, মোৰ পৰিনাতি বা অসমীয়া খিলঞ্জীয়া মানুহৰ নাতি-পৰিনাতিক ইয়াত মূৰদাঙি জীয়াই থকাটো বিচাৰো। মই মোৰ অসমীয়া খিলঞ্জীয়া মানুহৰ কবৰ ইয়াত খান্দিবলৈ নিদিওঁ। গতিকে স্পষ্ট কথা, যাৰ নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি মৰম নাই, ভৱিষ্যত প্ৰজন্মৰ প্ৰতি মৰম নাই তেওঁলোকে মিঞাসকলক তেল মাৰি থাকক, আমাৰ ক'লগীয়া একো নাই। অনুপ্ৰৱেশকাৰীয়ে ট্ৰাইবেল্ট বেল্টত সোমোৱাত আশ্চৰ্য প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অনুপ্ৰৱেশকাৰী বাংলাদেশী মিঞাই আহি ট্ৰাইবেল্ট বেল্টত সোমাই গ'ল, যি ট্ৰাইবেল্ট বেল্ট গোপীনাথ বৰদলৈয়ে আমাৰ খিলঞ্জীয়া মানুহসকলক সুৰক্ষা দিয়াৰ কাৰণে বনাইছিল। সেই ট্ৰাইবেল্ট বেল্ট অনুপ্ৰৱেশকাৰী মিঞাই আহি দখল কৰিব আৰু আমি মাত নমতাকৈ থাকিম এয়া কেতিয়াও হ'ব নোৱাৰে। আমাৰ ল'ৰা-ছোৱালী ইয়াত জীয়াই থাকিব নালাগে নেকি বুলি প্ৰশ্ন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, আমাৰ সতি-সন্ততি ইয়াত জীয়াই থাকিব লাগিব। অসমীয়া খিলঞ্জীয়া লোকৰ সন্তান ইয়াত জীয়াই থাকিব লাগিব। কাশ্মীৰৰ দৰে আমাৰ ল'ৰা-ছোৱালীক ইয়াৰ পৰা পলাই যাবলৈ দিম নেকি? গতিকে অনুপ্ৰৱেশকাৰী এই মিঞা সন্দৰ্ভত আমাৰ স্পষ্ট কথা - যিয়ে নিজৰ ল'ৰা-ছোৱালীৰ কবৰ ইয়াত খান্দিব খুজিছে, অসমীয়া খিলঞ্জীয়া মানুহৰ অৱস্থা কাশ্মীৰি মানুহৰ দৰে হোৱাটো বিচাৰিছে- তেওঁলোকে তেওঁলোকক তেল মাৰিব পাৰে, আমি নামাৰো আৰু ইয়াৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰ ব্যৱস্থা লোৱা হ'ব। মন্ত্ৰীগৰাকীয়ে উচ্ছেদিতসকলৰ সপক্ষে নামি পৰা বিৰোধী, এ আই ইউ ডি এফ দলক সমালোচনা কৰি কয়- 'মিঞাৰ আগ্ৰাসন যে চলি আছে, এইটো তেওঁলোকৰ বক্তব্যৰ পৰা ওলাই পৰে। গতিকে আমাৰ স্পষ্ট কথা যে এইখন অসমত মিঞাৰ আগ্ৰাসন নচলিব। আমি আমাৰ সতি-সন্ততিক, আমাৰ ভৱিষ্যত প্ৰজন্মক, খিলঞ্জীয়া মানুহক মূৰ দাঙি জীয়াই থকাৰ পৰিৱেশ এইখন অসমত আমি কৰি থৈ যাম। তাৰ কাৰণে যিমান কাম কৰিব লাগে আমি সকলোখিনি কাম কৰিবৰ কাৰণে আমি প্ৰস্তুত আছো।




স্মাৰ্ট মিটাৰ আৰু ট্ৰেডিং কেলেংকাৰীক লৈ কংগ্ৰেছৰ প্ৰতিবাদ, নেতৃত্বত দেৱব্ৰত শইকীয়া

## পুনৰ চৰ্চাত বাজপেয়ী ভৱনত সন্ধিয়া মহিলাৰ প্ৰৱেশ নিষিদ্ধ প্ৰসংগ

# পৰীক্ষাৰ্থীৰ বক্ষ, গুপ্তাংগত হাত দিয়া কাণ্ডক নিন্দা কংগ্ৰেছৰ

**ই-সংবাদ,১৬ ছেপ্টেম্বৰঃ** নিযুক্তি পৰীক্ষাত নকল ৰোধৰ নামত মহিলা পৰীক্ষাৰ্থীৰ বক্ষ, গুপ্তাংগত হাত দি মহিলাৰ শ্লীলতা হানিৰ অভিযোগে উত্থাপন হৈছে। এই ঘটনাক লৈ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। নকলৰ নামত নীতিবৰ্হিভূত তালাচীৰ তীব্ৰ নিন্দা কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। গুৱাহাটীৰ বাজপেয়ী ভৱনত সন্ধিয়া মহিলাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ জাননী কি হ'ল বুলি কৈ বিজেপি চৰকাৰক ইতিকিং কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। এনে অভিযোগ উত্থাপন হোৱাটোৱে অত্যন্ত উদ্বেগজনক বিষয় বুলি কৈ বেদব্ৰত বৰাই কয় যে এয়া লজ্জানত কাণ্ড। মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰত বিজেপি নেতৃত্বৰ চৰকাৰৰ বিৰুদ্ধে বাৰে বাৰে অভিযোগ উত্থাপন হোৱাতো অত্যন্ত উদ্বেগজনক বিষয়। গুৱাহাটীৰ বাজপেয়ী ভৱনত সন্ধিয়া মহিলাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ জাননী কি হ'ল সেই বিষয়ে ভূ-ৰখা মহলেহে গম পাব যদিও শেহতীয়াকৈ মহিলা পৰীক্ষাৰ্থীৰ গোপন অংগত হাত দি সমগ্ৰ ব্যৱস্থাটোকে লজ্জানত কৰিলে। এই চৰকাৰৰ দিনত নাৰী যে সুৰক্ষিত নহয় সেই কথা এনচিআৰবিৰ প্ৰতিবেদন পৰ্যালোচনা কৰিলেই স্পষ্ট হৈ পৰে। আমি মহিলাৰ বিৰুদ্ধে হোৱা সকলোধৰণৰ অসন্মানজনক ঘটনাৰ গৰিহণা দিছো। সামাজিক মাধ্যমত সাহসী মহিলা পৰীক্ষাৰ্থীসকলে নিজৰ লগত হোৱা অত্যাচাৰৰ বৰ্ণনা কৰাৰ পিছতহে প্ৰকৃত ঘটনা পোহৰলৈ আহিছে আৰু পৰিস্থিতি এনে পৰ্যায় পাইছে যে মুখ্যমন্ত্ৰীয়ে তদন্ত দিবলৈ বাধ্য হৈ পৰিছে- কয় বেদব্ৰত বৰাই।




মানকাচৰত আজি ৫গৰাকী বাংলাদেশী অনুপ্ৰৱেশকাৰীক আটক আৰক্ষীৰ আৰু বি এছ এফৰ, ফটো ১৬ছেপ্টেম্বৰৰ

# মৰিগাঁৱত পথ দূৰ্ঘটনাত অকাল মৃত্যু যুৱ চিকিৎসক শুভজিৎ বৰাৰ

**ই-সংবাদ, মৰিগাঁও, ১৬ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটাত সংঘটিত হোৱা এক পথ দূৰ্ঘটনাত অকাল মৃত্যুক সাৱতি লয় মৰিগাঁৱৰ যুৱ চিকিৎসক শুভজিৎ বৰাই। এই দুৰ্ভাগ্যজনক ঘটনাই মৰিগাঁৱত সৰ্বত্ৰ গভীৰ শোকৰ ছাঁ পেলায়। উল্লেখ্য যে মৰিগাঁও চহৰৰ সমীপৱৰ্তী বৰঙাবাৰী গাঁৱৰ ২৭ বছৰীয়া যুৱ চিকিৎসক শুভজিৎ বৰা শনিবাৰে বিয়লি জিলাখনৰ চাবুকধৰা ৰাজ্যিক চিকিৎসালয়ত কৰ্ম সম্পাদন কৰি ঘৰলৈ ঘূৰি অহাৰ পথত মিকিৰভেটাৰ ওৱাবৰিত মটৰ চাইকেল দূৰ্ঘটনাত পতিত হৈছিল। এই দুৰ্ঘটনাটোত গুৰুতৰ ভাবে আঘাতপ্ৰাপ্ত হোৱা যুৱ চিকিৎসক গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ দিশপুৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। কিন্তু চিকিৎসাধীন অৱস্থাতে দেওবাৰে নিশা অকাল মৃত্যুক সাৱটি লয় এই সৰবৰহী যুৱ চিকিৎসক গৰাকীয়ে। অতি মেধাসম্পন্ন যুৱক মৃত শুভজিৎ বৰাই ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰি কিছুদিন পূৰ্বে গৃহ জিলা মৰিগাঁৱৰ চাবুকধৰা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক হিচাপে যোগদান কৰিছিল। ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে পিতৃক হেৰুওৱা যুৱ চিকিৎসক গৰাকীয়ে মৃত্যুৰ সময়ত মাতৃ আৰু একমাত্ৰ ভগ্নীক ইহ সংসাৰত এৰি থৈ গৈছে।

# শিক্ষামন্ত্ৰীৰ মতে এ ডি আৰ ইৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ ছেপ্টেম্বৰ:** ৰাজ্যৰ শিক্ষা, জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণোজ পেগুৱে আজি এদিনীয়া ভ্ৰমনসূচীৰে কোকৰাঝাৰত উপস্থিত হৈ কোকৰাঝাৰ আৰু চিৰাং জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু হাইস্কুলৰ প্ৰধান শিক্ষক সকলৰ সৈতে বিটিচি বিধান পৰিষদৰ ভৱনত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ উপস্থিতিত এক মত-বিনিময় বৈঠকত অংশগ্ৰহণ কৰে। উক্ত বৈঠকত ড্ৰপ-আউটৰ হাৰ সন্দৰ্ভত গুৰুত্বসহকাৰে আলোচনা কৰা হয়। ইয়াৰোপৰি সভাত আন কেতবোৰ শৈক্ষিক বিষয় সন্দৰ্ভতো আলোচিত হয়। সভাৰ অন্তত সাংবাদিকৰ আগত মন্ত্ৰী ৰণোজ পেগুৱে কয় যে অধ্যক্ষ আৰু প্ৰধান শিক্ষকৰ সতে মত -বিনিময় সভা সম্পন্ন হোৱাত তৃণমুল পৰ্যায়ৰ সমস্যাৰ বিষয়ে তেওঁ অৱগত হৈছে আৰু ইয়ে তেওঁক লাভান্বিত কৰিছে। এনেধৰণৰ মত বিনিময় সভা অনুষ্ঠিত কৰাটো প্ৰয়োজন বুলিও মন্তব্য কৰে শিক্ষামন্ত্ৰীগৰাকীয়ে। আনহাতে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত মিউচুৱেল শিক্ষক বদলিকৰণ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছতে ৰেচেলাইজেচন প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্তব্য কৰিছে মন্ত্ৰী ৰণোজ পেগুৱে। তদুপৰি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে জানিবলৈ দিয়া মতে অহা ডেৰমাহৰ ভিতৰতে বিটিআৰত হাইস্কুল পৰ্যায়ত ১৪৬৭ গৰাকী শিক্ষক নিযুক্তি দিয়া হ'ব বুলিও মন্ত্ৰী ৰণোজ পেগুৱে সদৰি কৰিছে। ইপিনে ইয়াৰ পূৰ্বে কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাবে উপস্থিত থাকে শিক্ষামন্ত্ৰী ৰণোজ পেগু। বন্তি প্ৰজ্বলেনেৰে নৱাগত আদৰণি সভাৰ শুভাৰম্ভ কৰে মন্ত্ৰী ৰণোজ পেগুৱে। আনহাতে অসমত টেট শিক্ষকৰ চাকৰি অলপতে নিয়মীয়াকৰণ হ'ল যদিও বিটিচিৰ টেট শিক্ষকসকল চাকৰি এতিয়াও নিয়মীয়াকৰণ হোৱা নাই বুলি সাংবাদিকে আঙুলিয়াই দিয়াত সেয়া বিটিচি প্ৰশাসনে কৰিব আৰু টেট শিক্ষকসকলৰ ডাটা বিটিচিক দিয়া হৈছে বুলি উল্লেখ কৰে মন্ত্ৰী ৰণোজ পেগুৱে। উল্লেখ্য যে আজি বিটিচি বিধান পৰিষদৰ ভৱনত অনুষ্ঠিত হোৱা অধ্যক্ষ, প্ৰধান শিক্ষকসকলৰ সতে মত বিনিময় অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচিৰ প্ৰধান সচিব, বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক, শিক্ষা বিভাগৰ সচিব, শিক্ষা বিষয়া সকল উপস্থিত আছিল। । ইপিনে ধেমাজি জিলাৰ এটা পৰীক্ষা কেন্দ্ৰত এডিআৰই পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত জ্ঞাত নহয় বুলি মন্তব্য কৰিছে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। আজি কোকৰাঝাৰৰ আৱৰ্ত ভৱনত এই মন্তব্য প্ৰদান কৰি শিক্ষামন্ত্ৰী গৰাকীয়ে পৰীক্ষা সুকলমে অনুষ্ঠিত হোৱাৰ বাবে ছেবালৈ ধন্যবাদ হে জ্ঞাপন কৰে। উল্লেখ্য যে , আজি কেইবাটাও বৈদ্যুতিন মাধ্যমত এডিআৰই ৰ প্ৰশ্ন ফাদিল হোৱা বুলি বাতৰি প্ৰচাৰ হৈছিল। এই বাতৰিৰ পিছতে আজি সন্ধিয়া কোকৰাঝাৰত সাংবাদিকে প্ৰশ্ন এক প্ৰশ্নোত্তোৰত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে প্ৰশ্ন ফাদিলৰ বিষয়ে জ্ঞাত নহয় বুলি মন্তব্য কৰিছে।

শেষ পৃষ্ঠা

# লাওচত ভাৰতৰ ৰাষ্ট্ৰদূতক সাক্ষাৎ হাবিব মহম্মদ চৌধুৰীৰ

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সংগঠন এছেইনৰ ভাৰতৰ অৰ্থনৈতিক পৰামৰ্শ অনুষ্ঠান অহা অহা ২১ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানৰ পূৰ্বে আজি অসম বিজেপিৰ নেতা তথা লাওচৰ ব্যৱসায়ী হাবিব মহম্মদ চৌধুৰীয়ে লাওচত ভাৰতৰ ৰাষ্ট্ৰদূত প্ৰশান্ত আগৰৱালাক সাক্ষাৎ কৰে। হাবিব মহম্মদ চৌধুৰীয়ে প্ৰকাশ কৰা মতে, অনুষ্ঠানৰ প্ৰস্তুতি সম্পৰ্কে জানিবলৈ লাওচত ভাৰতৰৰাষ্ট্ৰদূত প্ৰশান্ত আগৰৱালাক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। এই বৈঠকত এছিয়া ইনভেষ্টমেন্ট বেংকিং কনভাৰেন্সৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডাতো ৰমেশ কোডাম্মাল, এইছএছএমএম গ্ৰুপৰ অধ্যক্ষ সৌখতাভি চৌধুৰী (চাদিক) উপস্থিত থাকে।

# সোণাপুৰৰত উচ্ছেদক লৈ নগাঁৱত বিজয় উৎসৱ

**ই-সংবাদ, ১৬ ছেপ্টেম্বৰঃ** সোণাপুৰৰ কচুতলিত ট্ৰাইবেল ব্লকত বেদখল উচ্ছেদ অভিযান চলোৱাত বিভিন্ন দল,সংগঠনৰ লগতে সচেতন মহলে আদৰণি জনাইছে। আজি সন্ধিয়া নগাঁও চহৰৰ জনজাতি জিৰণি চ'ৰাত কেবাটাও জনজাতীয় সংগঠনে বিজয় উৎসৱ পালন কৰে । সদৌ অসম ট্ৰাইবেল সংঘৰ নগাঁও জিলা সমিতি আৰু ট্ৰাইবেল যুথ লীগে এই বিজয় উৎসৱ পালন কৰে। বিজয় উৎসৱ পালন কৰাৰ সময়ত নগাঁও জনজাতি জিৰণি চ'ৰাত এক উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। সাহসেৰে কচুতলিত উচ্ছেদ চলোৱাৰ বাবে ট্ৰাইবেল সংঘ আৰু যুথ লীগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জনায়। সংগঠন দুটাৰ নেতৃত্বই সংবাদ মাধ্যমৰ আগত কয় যে, গোপীনাথ বৰদলৈৰ দিনৰ পৰা অসমৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভুমি উচ্ছেদ কৰাৰ দাবী উত্থাপন হৈ আহিছে যদিও সেয়া হোৱা নাছিল।



লাওচত ভাৰতৰ ৰাষ্ট্ৰদূত প্ৰশান্ত আগৰৱালাক সাক্ষাৎ হাবিব মহম্মদ চৌধুৰীৰ

# এহেজাৰৰো অধিক সন্তান জন্ম দিয়াত সহায় কৰা ধাই কং কিয়েক মুখিমৰ মৃত্যু

**ই-সংবাদ, ১৬ছেপ্তেম্বৰঃ** এহেজাৰৰো অধিক সন্তান জন্ম দিয়াত সহায় কৰা মানৱতাবাদী মেঘালয়ৰ নাৰ্ছগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। ৮৮ বছৰ বয়সত কং কিয়েক মুখিমৰ আজি মৃত্যু হয়। কং কিয়েক মুখিম হৈছে এগৰাকী নাৰ্ছ তথা ধাই যিয়ে পূব খাচী পাহাৰ জিলাৰ দূৰৱৰ্তী খাৰাং গাঁৱত এহেজাৰৰো অধিক সন্তান জন্ম দিয়াত সহায় কৰিছিল। ৰদ-বৰষুণ কাটি কৰি প্ৰসূতিক সহায় কৰিছিল মুখিমে। জানিব পৰা মতে, মুখিমে চাকৰি কৰাকালত স্বাস্থ্য প্ৰতিষ্ঠানসমূহ ৪০-৫০ কিলোমিটাৰ দূৰত আছিল। তেনে সময়তে ৪০-৫০ কিলোমিটাৰ নিলগলৈ গৈ লোকসকলক সেৱা আগবঢ়াইছিল। তেনে এগৰাকী মহীয়সী নাৰীৰ মৃত্যুত মেঘালয়ত শোকৰ ছাঁ পৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে কনৰাড চাংমাই মুখিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। চাংমাই কয় যে তেখেত সহানুভূতিশীল মানুহ আছিল আৰু অসাধাৰণ সেৱা কৰিছে যি কাহিনীয়ে আমাক প্ৰত্যেককে অনুপ্ৰাণিত কৰে।








newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান